# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বুধবাৰ, ১৯ ফেব্ৰুৱাৰী, ২০২৫

**কৃষি, আবকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, উদ্যান শস্য, অসম চুক্তি ৰূপায়ণ, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী, সামজিক ন্যায় আৰু সৰলীকৰণ, জলসম্পদ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, খনি আৰু খনিজাত দ্ৰব্য, বৰাক উপত্যকা উন্নয়ন।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*বিষয় ঃ* **উদ্যান শস্য আঁচনি সন্দৰ্ভত**

মোঃ নুৰুল হুদা ঃ

১। মাননীয় উদ্যান শস্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

উদ্যান শস্য বিভাগৰ দ্বাৰা বৰ্তমান অসমত কি কি আঁচনি লোৱা হৈছে? এই আঁচনি সমূহৰ ৰাজ সাহায্য কিমান দিয়া হয়? কি পদ্ধতিত আঁচনিসমূহ বাচনি কৰা হয়? বিতংকৈ জনাব।

*বিষয় ঃ* **কাঠিগড়া ও বড়খলা জলসম্পদ সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

২। মাননীয় জলসম্পদ বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করে জানাবেন কি?

(ক) কাঠিগড়া-বড়খলা Water Resources Sub Division Department সরকারী কাজকর্ম বর্তমানে শিলচর হইতে চলিতেছে। ইহার কারণ কি?

(খ) এই বিভাগে কাঠিগড়া অঞ্চল নিয়ে সরকারের কোনো প্রয়াস আছে কি?

(গ) ওই অফিসটির অধিকারিক ও কর্মী সংখ্যার নাম ও পদ সহ তালিকা সদনে প্রকাশের অনুরোধ জানাই।

(ঘ) এই অফিসের আওতায় বর্তমানে কি কি প্রকল্পের কাজ চলিতেছে? ওই সব প্রকল্পের নাম ও অনুমদিত অর্থের পরিমান এবং কাজ সমাপ্তির টার্গেট সহ তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ আঁচনি**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জলসম্পদ সংমণ্ডলৰ এলেকাধীন আই, মানাহ, চম্পাৱতী আৰু ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কোন কোন শিতানত কি কি আঁচনি ২০২৩-২০২৪ বৰ্ষত ইতিমধ্যে মঞ্জুৰী দিয়া হৈছে?

(খ) কি কি আঁচনি অগ্ৰাধিকাৰৰ ভিত্তিত ২০২৩-২০২৪ বা ২০২৪-২০২৫ বিত্তীয় বৰ্ষত মঞ্জুৰী দিয়াৰ বাবে বিভাগে বিবেচনা কৰি আছে? বিতংকৈ জনাব।

(গ) এই আঁচনি সমূহে সাঙুৰি লোৱা গাঁও/ অঞ্চলসমূহ উল্লেখ কৰিব।

*বিষয় ঃ* **ৰেচন কাৰ্ড সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খাদ্য সুৰক্ষা আইনৰ অধীনত বৰ্তমানলৈকে বৰপেটা জিলাৰ কিমানগৰাকী ব্যক্তিয়ে ৰেচন কাৰ্ড লাভ কৰিছে? ৰেচন কাৰ্ডৰ গৰাকীৰ নাম, ঠিকনাসহ সমষ্টি ভিত্তিত তালিকা দিব।

(খ) ৰেচন কাৰ্ডৰ জৰিয়তে পূৰ্বে ৰেচন লাভ কৰা বহু ব্যক্তিয়ে বৰ্তমান ৰেচন লাভৰ পৰা বঞ্চিত হৈছে। কি কাৰণে উক্ত ব্যক্তিসকলে ৰেচন লাভ কৰা নাই জনাবনে?

*বিষয় ঃ* **মেসিনাৰী সৰঞ্জাম**

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

৫। মাননীয় কৃষি বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করে জানাবেন ঃ

(ক) আলগাপুর বিধান সভা সমষ্টিতে কৃষি বিভাগে ইঞ্জিনিয়ারিং Cell এ কি কি মেসিনারী সরঞ্জাম প্রদান করা হয়েছে, যদি প্রদান করা না হয়ে থাকে, তবে প্রদান করার কোন ব্যৱস্থা আছে কি?

(খ) যদি থাকে, তবে উহার বিস্তারিত বিবরণ সদনে প্রকাশ করার অনুরোধ জানাই।

*Sub.* : **FDR Works, protection works and embankment in Goalpara District.**

Shri ABDUR RASHID MANDAL :

6. Will the Minister of Water Resources be pleased to state :

(a) What Works are going on in Goalpara District under Water Resources Department ? Please furnish the name of works, estimated amount, name and address of contractors, date of issuing work orders, date of commencement of each work, progress of works, amount of bills paid so far, probable date of completion of works.

(b) Details list of works done with estimated costs, amount spent, progress of works, name and address of contractors, date of issuing work orders, date of commencement of works, dates of completion of works etc. under SDRF, Flood Fighting and Flood Management during the tenure of present Govt. in Goalpara District.

(c) The total length of the B/Dyke from Kharmuja to Nichinpur in Goalpara District. How much length of the above embankment is converted to Pucca road till now ? Whether the remaining portion of the embankment will be converted to pucca road or not ? if not why ? If yes, when ?

*Sub.* : **Erosion of River Kanamakra and River Nizla in the nearby villages due to flash Flood.**

Shri NIRMAL KUMAR BRAHMA :

7. Will the Minister of Water Resources Department be pleased to state:

(a) Regarding the Protection of village Kungkrajhara and its adjoining areas from erosion of River Kanamakra at Dwiswm Bund.

(b) Protection of Village Laokriguri and its adjoining areas from erosion of River Nizla.

*বিষয় ঃ* **৬ নং দফা**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৮। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ ৬নং দফাত খিলঞ্জীয়াৰ বাবে নে অসমীয়াৰ বাবে সংৰক্ষণৰ কথা আছে?

(খ) চুক্তি দফা অনুসৰি অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰা হৈছেনে? (তথ্য দিব)।

(গ) অসমীয়াৰ সংজ্ঞা কেতিয়া আৰু কি প্ৰক্ৰিয়াৰে নিৰূপণ কৰা হ'ব?

(ঘ) বি কে শৰ্মা কমিটীয়ে ৬ নং দফাৰ ওপৰত দাখিল কৰা প্ৰতিবেদনৰ প্ৰতিলিপি সদনত দিব।

*বিষয় ঃ* **ভূটানৰ জলবিদ্যুৎ প্ৰকল্প**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানত যোৱা কিছুবছৰ ধৰি নিৰ্মাণ হৈ থকা জলবিদ্যুৎ প্ৰকল্প সমূহৰ বিষয়ে অসম চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই জলবিদ্যুৎ প্ৰকল্পসমূহ নিৰ্মাণৰ সময়ত নামনি অসমৰ সম্ভাব্য ক্ষতিৰ সন্দৰ্ভত অসম চৰকাৰৰ কিবা মতামত লোৱা হৈছিল নে? তথ্য দিব।

(গ) ভাৰত চৰকাৰৰ কাৰিকৰী সহযোগত ভূটানত আৰু কিমানটা নদীবান্ধৰ নিৰ্মাণ কাৰ্য্য চলি আছে?

(ঘ) ভাৰত চৰকাৰৰ অৰ্থ সাহায্যৰে ভূটান ৰাষ্ট্ৰত নিৰ্মিত কুৰিশ্বু, চুখাই আদি বিভিন্ন জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰাৰ পৰিণতিত হোৱা প্ৰচণ্ড জলপ্ৰলয়ৰ ফলত নামনি অসমত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা কৰিছেনে?

(ঙ) যদি কৰিছে, এই প্ৰকল্পসমূহৰ বিভীষিকাৰ পৰা অসমবাসী ৰাইজক ৰক্ষা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক কি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে? বিতং তথ্য দিব।

(চ) কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসমৰ বানক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি প্ৰদান কৰিবলৈ অসম চৰকাৰে কিবা প্ৰস্তাৱ প্ৰেৰণ কৰিছে নে?

(ছ) যদি কৰিছে, প্ৰতিলিপি দিব।

*বিষয় ঃ* **নলবাৰী জিলাত সভাঘৰ নিৰ্মাণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

১০। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগে আন্তঃগাঁথনি উন্নয়নৰ বাবে নলবাৰী জিলাত এঘাৰটা সভাঘৰ নিৰ্মাণৰ বাবে ৫ (পাঁচ) লাখকৈ টকা নিৰ্ধাৰণ কৰি অধিসূচনা জাৰি কৰাৰ বিষয়ে বিভাগ জ্ঞাতনে?

(খ) উক্ত কাম কেইটাৰ বাবে নলবাৰী জিলাৰ আয়ুক্ত মহোদয়াই District Level Construction Committee গঠন কৰি দিছিল নেকি?

(গ) যদি দিছিল, নিৰ্মাণ সমিতিয়ে উক্ত কাম কেইটা সম্পূৰ্ণ কৰিছেনে?

(ঘ) যদি কৰা নাই, কাম কেইটা কেতিয়া সম্পূৰ্ণ হ'ব ?

*বিষয় ঃ* **খিলঞ্জীয়া জনজাতি আৰু অনুসূচীত জাতি সম্পৰ্কে।**

শ্ৰীতেৰছ গোৱালা ঃ

১১। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন খিলঞ্জীয়া জাতি জনগোষ্ঠীক অনুসূচীত জনজাতিৰ মৰ্য্যাদা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে? (তালিকা দিব।)

(খ) জনজাতিকৰণৰ বাবে অসম বিধান সভাত (ছয় জনগোষ্ঠী) প্ৰথম প্ৰস্তাৱ কেতিয়া গ্ৰহণ কৰা হৈছিল? প্ৰস্তাৱৰ সবিশেষ তথ্যসহ জনাব।

(গ) ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কে অসম চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰক কিমানবাৰ যোগাযোগ কৰা হৈছিল? তাৰিখসহ যোগাযোগ কৰা পত্ৰ, প্ৰস্তাৱ/অনুমোদন আদি সকলো বিতংভাৱে দিব।

(ঘ) অসমৰ চাহ জনগোষ্ঠীৰ অন্তৰ্ভুক্ত জাতি-গোষ্ঠী-সম্প্ৰদায়সমূহক জনজাতিকৰণৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে কোনো ধৰণৰ আয়োগ/বিশেষজ্ঞ সমিতি গঠন কৰি মতামত লৈছিল নেকি? যদি আয়োগ/বিশেষজ্ঞ সমিতি গঠন কৰি মতামত লৈছিল, তেন্তে আয়োগৰ মতামত সম্পৰ্কে সবিশেষ তথ্য দিব।

(ঙ) অসমত বসবাস কৰা চাহ জনগোষ্ঠীৰ অন্তৰ্ভুক্ত ৪২ টাৰো অধিক গোষ্ঠী অনুসূচীত জাতিৰ বৈশিষ্ট্য থকা আছে। সংশ্লিষ্ট গোষ্ঠীসমূহৰ নাম, তালিকা চৰকাৰৰ হাতত আছে নেকি? যদি আছে, সবিশেষ জনাব। সেই গোষ্ঠীসমূহক অনুসূচীত জাতিৰ তালিকাৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাৱ বা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **শ্লুইচ গেট (Sluice Gate) নিৰ্মাণ**

শ্ৰীজাকিৰ হুসেন লস্কৰ ঃ

১২। মাননীয় জলসম্পদ বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করে জনাবেন কি?

(ক) হাইলাকান্দি সমষ্টির কাটাখাল নদীর বাম তীরে RS বাঁধ নিৰ্মাণ হ'লে বৃহত্তর বড়বন্দ, মাটিজুরী, বাহাদুরপুর, রাঙ্গাউটি এবং হাইলাকান্দি টাউন অঞ্চলের জনগন সহ কয়েক হাজার বিঘা কৃষি জমি জমা জলের নিচে থাকার সম্ভাৱনা থাকবে। তাই এই সমস্যা সমাধান করার জন্য এই অঞ্চলের দুটি গুরুত্বপূর্ণ শ্লুইচগেট বাউয়া শ্লুইচগেট এবং বরইথলি শ্লুইচগেট নিৰ্মাণ করা খুবই আৱশ্যক এই জন্য সরকারের হাতে কি কোন পরিকল্পনা আছে? বিস্তারিত তথ্য সদনে জানানোর জন্য অনুরোধ করছি।

(খ) বাউয়া এবং বরইথলি শ্লুইচগেট দুটি নিৰ্মাণ করার জন্য বিভাগীয় তরফ থেকে কি কোন পরিকল্পনা হাতে নেওয়া হয়েছে? যদি নেওয়া হয় তাহলে কত দিনের ভিতরে তাহা কাৰ্যকরী করা হবে?

*বিষয় ঃ* **গৰাখহনীয়া সম্পৰ্কে**

শ্ৰীছামছুল হুদা ঃ

১৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত বানৰ কবলত ২৭ নং বিলাসীপাৰা পূব সমষ্টিৰ ক'ত ক'ত আৰু কিমান কিলোমিটাৰ গৰাখহনীয়া হৈছিল? কিমান খেতিৰ মাটি আৰু কিমান মানুহৰ ঘৰ গৰাখহনীয়াত ক্ষতি হ'ল? পৰিয়ালৰ নামৰ সৈতে ক্ষতি হোৱা মাটিৰ পৰিমাণসহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাঙি ধৰে যেন।

(খ) ২০২২-২৩, ২০২৩-২৪ বিত্তীয় বৰ্ষত গৰাখহনীয়া মেৰামতি কৰাৰ নামত অসম চৰকাৰে কিমান টকা আবণ্টন দিছিল? ইয়াৰ ভিতৰত ২৭ নং বিলাসীপাৰা পূব সমষ্টিত কিমান টকা খৰচ কৰা হৈছিল?

(গ) ২৭ নং বিলাসীপাৰা পূব সমষ্টিত ২০২২-২৩, ২০২৩-২৪ বিত্তীয় বৰ্ষত ব্ৰহ্মপুত্ৰ, চম্পাৱতী আৰু গৌৰাংগ নদীৰ গৰাখহনীয়া ৰোধ কৰাৰ নামত কিমান টকা মুকলি কৰি দিছিল? ইয়াৰ নামত কিমান টকা খৰচ কৰা হয়?

(ঘ) ২৭ নং বিলাসীপাৰা পূব সমষ্টিত ব্ৰহ্মপুত্ৰ, চম্পাৱতী আৰু গৌৰাংগ নদীৰ গৰাখহনীয়াৰ স্থায়ীভাৱে ৰোধ কৰাৰ কাৰণে বিভাগে কিবা ব্যৱস্থা হাতত লৈছেনে? যদি লোৱা হোৱা নাই, কিয় লোৱা নাই? (বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাঙি ধৰে যেন।)

*বিষয় ঃ* **গৰাখহনীয়া সম্পৰ্কে**

শ্ৰীওয়াজেদ আলী চৌধুৰী ঃ

১৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ দক্ষিণ পাৰে অৱস্থিত বুঢ়া-বুঢ়ী থানখন বৰ্তমান নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হোৱাৰ সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত ঐতিহাসিক বুঢ়া-বুঢ়ী থানখন ৰক্ষা কৰাৰ ক্ষেত্ৰত বিভাগে গৰাখহনীয়া প্ৰতিৰোধ আঁচনি গ্ৰহণ কৰিছে নেকি? যদি কোনো আঁচনি গ্ৰহণ কৰা নাই, ঐতিহাসিক বুঢ়া-বুঢ়ী থানখন ৰক্ষাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা ল'ব নেকি?

*বিষয় ঃ* **নিমখ আবণ্টন**

শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ

১৫। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম ৰাজ্যলৈ মাহে কিমান নিমখ আবণ্টন পোৱা হয় তাৰ তথ্য দিব।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা আবণ্টন পোৱা নিমখৰ কি মূল্য নিৰ্দ্ধাৰণ থাকে জনাব।

(গ) আবণ্টন পোৱা নিমখ ৰাজ্যখনত কেনেদৰে বিতৰণ কৰা হয় সবিশেষ জনাব।

*বিষয় ঃ* **অবৈধ কয়লা খনন সম্পৰ্কে**

শ্ৰীমতী শিৱামণি বৰা ঃ

১৬। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে ২০১৪ চনতে নিষিদ্ধ কৰা কয়লা খননৰ Rate-Hole-Mining অসমত দীৰ্ঘদিন অবৈধভাৱে চলি থকাটো সত্য হয়নে?

(খ) উমৰাংচুৰ অবৈধ কয়লা খনিটোত দুৰ্ঘটনাৰ সময়ত কিমানজন শ্ৰমিক আছিল? কিমানজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হ'ল? কিমানজন শ্ৰমিকক আজি পৰ্য্যন্ত উদ্ধাৰ কৰিব পৰা হোৱা নাই? বিতং তথ্য দাখিল কৰিব।

(গ) ২০২৫ চনৰ আৰম্ভণিলৈকে অসমৰ ডিমা হাচাও, কাৰ্বি আংলঙৰ বিভিন্ন অঞ্চল আৰু তিনিচুকীয়া জিলাৰ লিডু-মাৰ্ঘেৰিটা অঞ্চলত Rate-Hole-Mining ৰ যোগেদি কিমান অবৈধ কয়লা খনিৰ জৰিয়তে কয়লা খনন কৰি থকা হৈছে?

(ঘ) দীৰ্ঘদিন Rate-Hole-Mining ৰ জৰিয়তে অবৈধভাৱে কয়লা খননৰ বেহা চলাই থকা দুষ্কৃতিকাৰীসকল আৰু তেওঁলোকক সহযোগিতা কৰা প্ৰশাসন আৰু বিভাগৰ বিষয়াসকলক চিনাক্ত কৰি উপযুক্ত শাস্তি বিহাৰ বাবে তদন্ত ঘোষণা কৰিবনে?

*বিষয় ঃ* **দিব্যাংগ**

শ্ৰীচক্ৰধৰ গগৈ ঃ

১৭। মাননীয় সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চৰকাৰী ভাৱে স্বীকৃতি প্ৰাপ্ত (পঞ্জীকৃত) মুঠ দিব্যাংগ লোকৰ সংখ্যা কিমান? তাৰে কিমান সংখ্যক ৮৯ নং খোৱাং সমষ্টিৰ ভিতৰত আছে?

(খ) এইসকলৰ ভিতৰত কিমান সংখ্যক লোক বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ আঁচনিত অন্তৰ্ভুক্ত? এই আঁচনিসমূহৰ নাম কি কি ?

(গ) অসমৰ মুঠ দিব্যাংগ লোকৰ কিমানজনে বৰ্তমান অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰি আছে? সংখ্যা দিব।

(ঘ) খোৱাং সমষ্টিত কিমানজন দিব্যাংগ লোকে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰি আছে, জনাব।

*বিষয় ঃ* **ৰেচন কাৰ্ডৰ পৰা বাদ পৰা লোকক অন্তৰ্ভুক্তি।**

শ্ৰীনজৰুল হক ঃ

১৮। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ অধীনত দুখীয়া পৰিয়াল সমূহক ৰেচন কাৰ্ড দিবৰ বাবে পৰিয়ালৰ সদস্যৰ সংখ্যা নিৰ্ধাৰণ সম্পৰ্কে পূৰ্বতে কোনো চৰকাৰী নিৰ্দেশ জাৰি কৰি আছিল নেকি?

(খ) শেহতীয়াভাৱে অসমত নতুন ৰেচন কাৰ্ড দিয়াৰ সময়ত বহুতো ২ জনীয়া, ৩ জনীয়া সদস্য থকা পৰিয়ালৰ নামত ৰেচন কাৰ্ড হোৱাৰ পিছতো নাম কৰ্তন কৰা হৈছিল। বাদ পৰি ৰোৱা এই দুখীয়া পৰিয়ালবোৰক ৰেচন কাৰ্ড দিয়া হ'বনে? যদি হয়, কেতিয়াকৈ দিব পৰা যাব?

(গ) উক্ত বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে এটা স্থানত কিমান দিনলৈকে কাম কৰিব পাৰিব সেই সম্পৰ্কে চৰকাৰী বিধি বিধান আছে নেকি? একে ঠাইতে বহুবছৰ ধৰি থকা আৰু নিৰ্বাচনৰ সময়ত সাময়িকভাৱে অন্য স্থানত গৈ পুনৰ আগৰ ঠাইলৈ ঘূৰি অহা বিষয়াসকলৰ বদলিৰ বাবে চৰকাৰে কিবা নিয়ম ঠিক কৰিছে নেকি?

(ঘ) যিহেতু বিভাগৰ কাম কাজ জনতাৰ লগত জড়িত জনসাধাৰণৰ মাজত বিভাগৰ বিষয়া গৈ কাম কৰিবৰ বাবে চৰকাৰী কি নিৰ্দেশ দিয়া আছে আৰু ইয়াৰ বাবে চৰকাৰৰ পৰা বিষয়াসকলে কি কি সুবিধা আদায় কৰি আছে?

*Sub.* : **Control of erosion from Bahari to Baghbar etc.**

Shri SHERMAN ALI AHMED :

19. Will the Minister of Water Resources Department be pleased to state:

(a) What is the present status of scheme "R/S to B/dyke from Bahari to Baghbar including protection on Bahari and its adjoining areas alongwith channelization of river Brahmaputra and reclamation of eroded land within the reach (Review)" arising out of PIL No.60/2021 ? Please furnish all interim orders of the PIL.

(b) Is the Government aware that B/dyke from Bahari to Baghbar is about to be breached in multiple locations such as Jadavpur, Habidongra, Satrakanara, Manikpur, Milon Bazar, Kanara etc. ?

(c) Is the Government aware that Kanara and Bhoithaputa Ghat Satras are about to be washed away ?

(d) If yes, would the Goverment be pleased to sanction the project under ADB ?

(e) In view of reply to unstarred Q.No.147 dated 21-02-2024, when the three estimates under M & R submitted vide No. BWRD/Esti-20/pt-I/2023/98 dated 10-05-23 and BWRD/Esti-20/pt-I/2022/100 dated 15-05-23 will be sanctioned ?

(f) What is the present status of the sub-estimate approved vide No.276456/22 dated 03-04-23 ?

*বিষয় ঃ* **বানপানী**

শ্ৰীমতী সুমন হৰিপ্ৰিয়া ঃ

২০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে বানপানী ৰোধৰ বাবে ব্ৰহ্মপুত্ৰৰ দৰে বিশাল নদীত বান্ধ দিয়াতো কেনেদৰে সম্ভৱ কৰিছে জনাব।

(খ) Embankment Cum Road ৰ ক্ষেত্ৰত কিমান কিলোমিটাৰ বিভাগে এতিয়ালৈকে সম্পূৰ্ণ কৰিলে আৰু আগলৈ কিমান কিলোমিটাৰ এনে Road বনোৱাৰ পৰিকল্পনা কৰিছে?

(গ) অসমত ব্ৰহ্মপুত্ৰৰ বাহিৰেও বহু এনে নদী আছে যাৰ বাঢ়নী পানীয়ে বহু অঞ্চল প্লাৱিত কৰে এনেক্ষেত্ৰত বিভাগৰ আঁচনি বা পৰিকল্পনা কি আছে?

(ঘ) কাষৰীয়া (Adjacent) দেশ ভুটান বা ৰাজ্য মেঘালয় আৰু অৰুণাচলৰ পানীয়ে বানাপানীৰ ক্ষেত্ৰত অসমত সমস্যাৰ সৃষ্টি কৰে নেকি? জনাব।

*বিষয় ঃ* **কাৰ্য্যালয় পূৰ্ণাংগৰূপে কাৰ্য্যকৰণ**

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ

২১। মাননীয় ছপা আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাত ছপা আৰু লেখন সামগ্ৰী শাখা কাৰ্য্যালয়টো কেতিয়া আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব?

(খ) কাৰ্য্যালয়টো পূৰ্ণাঙ্গৰূপে লোৱাৰ আগতে পুনৰ মেৰামতিৰ বাবে নিবিদা আহ্বান কৰা হৈছে, ইয়াৰ কাৰণ জনাব।

(গ) যোৱা বৰ্ষৰ বাজেট অধিবেশনত ইং ১৪-০২-২০২৪ তাৰিখে লিখিত প্ৰশ্নৰ উত্তৰত

জনাইছিল যে ২০২৪-২৫ বৰ্ষৰ পৰা কাৰ্য্যালয়টো পূৰ্ণাংগ ৰূপে কাৰ্য্যক্ষম কৰা হ'ব। কিন্তু বৰ্তমানেও কাৰ্য্যালয়টো পূৰ্ণাংগ ৰূপে লোৱা হোৱা নাই, বিলম্ব হোৱাৰ কাৰণ জনাবনে?

*বিষয় ঃ* **কৃষক সকলৰ গুদাম ঘৰ, ফচল সংগ্ৰাহক (হাৰ্ভেষ্টাৰ) Wholesale Agriculture Marketৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

২২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত পৰ্য্যাপ্ত গুদাম ঘৰ নোহোৱা বাবে বিভাগে ধান ক্ৰয় কৰিব পৰা নাই আৰু কৃষকে ১৫০০ টকাকৈ ধান স্থানীয় মিলসমূহক ন্যূনতম মূল্যত বিক্ৰী কৰিব লগা হৈছে। চৰকাৰে এই ক্ষেত্ৰত উচিত ব্যৱস্থা ল'বনে?

(খ) বৰ্তমান ধান কাটিবৰ সময়ত ফচল সংগ্ৰাহক (হাৰ্ভেষ্টাৰ)ৰ অধিক প্ৰয়োজন দেখা যায়। চৰকাৰে ধান উৎপাদিত জিলা সমূহত কৃষি বিভাগৰ দ্বাৰা অধিক সংখ্যক ফচল সংগ্ৰাহক (হাৰ্ভেষ্টাৰ) ৰেহাই মূল্যত দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) চৰকাৰে কৃষি ক্ষেত্ৰত বজাৰমুখী কৰি কৃষকসকলক আগুৱাই নিবলৈ ঠাই বিশেষে একোখনকৈ Wholesale Agriculture Market খোলাৰ সিদ্ধান্ত ল'বনে? জনাব।

*বিষয় ঃ* **Assam Police Battalion**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

২৩। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিফু বিধান সভা সমষ্টিৰ অন্তৰ্গত নাগালেণ্ড ৰাজ্যৰ সীমামুৰীয়া ধনশিৰি অঞ্চলত সীমান্তবাসী ৰাইজৰ সুৰক্ষাৰ বাবে অসম চৰকাৰে এটা নতুন Assam Police Battalion Camp স্থাপন কৰাৰ যো-জা কৰা বুলি বিশেষ সূত্ৰৰ যোগেদি জানিব পৰা গৈছে। এই কথাটি সত্য নে?

(খ) যদি সত্য, তেনেহ'লে এই নতুন Battalion Camp টো স্থাপন কৰাৰ উদ্দেশ্যে চৰকাৰৰ ফালৰ পৰা ধনশিৰি অঞ্চলত যাৱতীয় ভূমি অধিগ্ৰহণ কৰা হৈছে নে?

(গ) যদি যাৱতীয় ভূমি অধিগ্ৰহণ কৰিছে, তেতিয়া হ'লে Assam Police ৰ এই নতুন Battalion Camp টো স্থাপনৰ বাবে যি আন্তঃগাঁথনি নিৰ্মাণৰ প্ৰয়োজন সেইক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ লৈছে?

*বিষয় ঃ* **ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

২৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্ৰহ্মপুত্ৰ গৰাখহনীয়াৰ ফলত বৰ্তমানলৈকে কিমান মাটি ব্ৰহ্মপুত্ৰৰ গৰ্ভত জাহ গ'ল? জনাবনে?

(খ) ব্ৰহ্মপুত্ৰৰ আৰু ইয়াৰ উপনৈসমূহৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষ কেইটাত কিমান আঁচনি লোৱা হৈছিল আৰু কিমান পুঁজি উক্ত আঁচনি কেইটাত ধাৰ্য্য কৰা হৈছিল উক্ত আঁচনিসমূহৰ কাম সম্পূৰ্ণ কৰা হ'ল নে?

(গ) ব্ৰহ্মপুত্ৰৰ ওপৰত চীন দেশত চীন চৰকাৰে নদী বান্ধ নিৰ্মাণ কৰা কথাটোৰ চৰকাৰৰ অৱগত নে? যদি অৱগত, তেনেহ'লে এইক্ষেত্ৰত

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে নে? যদি কৰা নাই, তেনেহ'লে তৎকালীন ভাৱে যোগাযোগ কৰি এটা ব্যৱস্থা গ্ৰহণ কৰিব নে?

(ঘ) চীনে নদী বান্ধ নিৰ্মাণ কৰাৰ ফলত ব্ৰহ্মপুত্ৰৰ ওপৰত এটা ডাঙৰ ঋনাত্মক প্ৰভাৱ নপৰিব নে? এই বিষয়ে চৰকাৰৰ মতামত জনাব।

(ঙ) পশ্চিম গুৱাহাটী সমষ্টিৰ খানামুখৰ খানাজান নৈৰ খহনীয়াৰ প্ৰতিৰোধৰ বাবে চৰকাৰে এতিয়ালৈকে কি ব্যৱস্থা গ্ৰহণ কৰিলে।

*বিষয় ঃ* **সীমান্ত এলেকার উন্নয়ন সম্পর্কে**

শ্ৰীখলিল উদ্দিন মজুমদার ঃ

২৫। মাননীয় সীমান্ত সুরক্ষা ও উন্নয়ন বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করে জানাবনে কি ঃ

(ক) চলিত বৃত্তীয় বর্ষে কাঠিগড়া সমষ্টির অন্তর্গত ভারত বাংলাদেশ সীমান্তবর্ত্তী এলাকায় উন্নয়নের ক্ষেত্রে বিগত অধিবেশনে বিভাগীয় মন্ত্রী মহোদয়ের দেওয়া প্রতিশ্রুতি মতে BADP এর জন্য কি কোনো প্রকল্পের অনুমোদন দেওয়া হয়েছে? যদি হয়ে থাকে, তাহলে বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইলো।

(খ) যদি না হয়, তবে কবে নাগাদ প্রকল্পগুলো অনুমোদন এবং তহবিল দেওয়া হবে সবিশেষ তথ্য দেওয়ার অনুরোধ রইলো।

*বিষয় ঃ* **ধান উৎপাদন সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২৬। মাননীয় কৃষি বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবনে কি ঃ

(ক) রাজ্যে কোন কোন জেলায় বছরে কত পরিমান ধান উৎপাদন হয় তার পরিসংখ্যান পরিবেশন করার অনুরোধ জানাই।

(খ) ধান ছাড়া অন্যান্য কী কী শস্য রাজ্যে চাষ হয়?

(গ) রাজ্যে কৃষি উন্নয়নে সরকার কী কী পদক্ষেপ গ্রহণ করছে এর বিস্তারিত বিবরণ জনানোর আর্জি জনাই।

(ঘ) বর্তমান বরাক উপত্যকায় কৃষি বিভাগের কার্যালয়গুলিতে কোন কোন পদে (grade) কত কত সংখ্যক শুণ্যপদ রয়েছে? সেগুলি পূরণ করা ব্যাপারে সরকারে পরিকল্পনা কী?

(ঙ) এখন কৃষি বিভাগ থেকে চাষীদেৰ কোন কোন শস্যের বীজ বিলি করা হ'য়? বরাক উপাত্যকার তিন জেলার ক্ষেত্রে সেগুলির বার্ষিক পরিমান কত তা সদনে জানানোর অনুরোধ জানাই।

*বিষয় ঃ* **অবৈধ কয়লা খনন বন্ধ সম্পৰ্কত**

শ্ৰীপোনাকণ বৰুৱা ঃ

২৭। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ক'ত ক'ত কয়লা উপলব্ধ আছে?

(খ) সকলো ঠাইতে কয়লা খনন হৈ আছেনে?

(গ) ইয়াৰে কোন বিলাক খনি কেন্দ্ৰীয় চৰকাৰৰ আৰু কোন বিলাক খনি ৰাজ্য চৰকাৰৰ আঁওতাৰ ভিতৰত পৰে?

(ঘ) ৰাজ্য চৰকাৰৰ আঁওতাৰ ভিতৰত পৰা খনিৰ পৰা ২০২৪, ২০২৩, ২০২২ বৰ্ষত কিমান পৰিমাণৰ কয়লা আহৰণ কৰা হৈছে? ইয়াৰ পৰা চৰকাৰৰ কিমান টকাৰ ৰাজহ সংগ্ৰহ হৈছে?

(ঙ) শেহতীয়াকৈ ৰাজ্যখনৰ উমৰাংছু, লিডু, কাৰ্বি-আংলং আদিত অবৈধভাৱে কয়লা খননৰ ভয়ংকৰ খবৰ আহিছে। উমৰাংছুত চলি থকা

অবৈধ খনিত কৰ্মৰত কিমান জন শ্ৰমিক জীৱন্তে সমাধিস্থ হৈছে? তেওঁলোকক উদ্ধাৰৰ বাবে কি ব্যৱস্থা হাতত লোৱা হৈছে? নিৰুদ্দিষ্ট শ্ৰমিকসকলৰ নাম, ঠিকনা সবিশেষ জনাব।

(চ) অবৈধভাৱে ৰাজ্যখনত চলা Rat Hole Mining বা অন্য অবৈধ খনন বন্ধৰ বাবে কি ব্যৱস্থা হাতত লোৱা হৈছে? অবৈধ খননত লিপ্ত লোকসকলকৰ বিৰুদ্ধে কি কঠোৰ ব্যৱস্থা লোৱা হৈছে? বিতংকৈ সদনক জনাব।

*বিষয় ঃ* **মথাউৰি নিৰ্মাণ**

শ্ৰীআচিফ মঃ নাজাৰ ঃ

২৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ২০ বছৰ গৰাখহনীয়াৰ ফলত অসমত কিমানখন ৰাজহ গাঁও নিঃচিহ্ন হৈ পৰিছে? জিলা অনুসৰি গাঁৱৰ নামৰ লগতে ভূমিহীন হৈ পৰা লোকৰ সংখ্যাৰ তালিকা সদনত প্ৰদান কৰিব।

(খ) গৰাখহনীয়াই নিঃচিহ্ন কৰা গাঁওসমূহৰ ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপন কৰা হৈছেনে? যদি কৰা হৈছে, কোন বৰ্ষত, কিমান লোকক আৰু ক'ত কেনেদৰে পুনৰ সংস্থাপন কৰা হৈছে বিতং তথ্য প্ৰদান কৰিব।

(গ) গৰাখহনীয়া ফলত বিগত ২০ বৰ্ষত কিমান খেতি-মাটি সংকুচিত হৈছে? জিলা অনুসৰি তালিকা প্ৰদান কৰিব।

(ঘ) গৰাখহনীয়াৰ ৰোধৰ ক্ষেত্ৰত গ্ৰহণ কৰা আঁচনি সমূহ সম্পূৰ্ণ হোৱাৰ পাছতো আবন্টিত ধন ঠিকাদাৰক মোকলাই দিবলৈ বাকী আছে নেকি? যদি আছে, বিগত ১০ টা বিত্তীয় বৰ্ষত কোন জিলাত কিমান ধন অনাদায় হৈ আছে তথ্য সহকাৰে প্ৰদান কৰিব। অনাদায় হৈ থকাৰ কাৰণ কি জনাব।

*বিষয় ঃ* **মথাউৰি নিৰ্মাণ, গৰাখহনীয়া ৰোধ সম্পৰ্কে।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টি তথা বৰ্তমানৰ পাকাবেতবাৰী সমষ্টিৰ মাজেৰে বৈ যোৱা পল্লা, পহুমাৰা, কালদিয়া, টিহু নদীৰ মথাউৰি এতিয়ালৈ কিয় নিৰ্মাণ হোৱা নাই? এই মথাউৰি কেতিয়ালৈ নিৰ্মাণ কৰিব?

(খ) পল্লা, পহুমাৰা, কালদিয়া, টিহু নদীৰ গৰাখহনীয়াৰ ফলত মানুহৰ ঘৰ-দুৱাৰৰ লগতে হাজাৰ হাজাৰ বিঘা কৃষিভূমি নদীত জাহ গৈছে। এই বিষয়ে বিভাগ অৱগতনে?

(গ) যদি অৱগত, এই গৰাখহনীয়া ৰোধৰ বাবে বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতং তথ্য দিব।

(ঘ) বৰ্তমানৰ পাকাবেতবাৰী সমষ্টিৰ মাজেৰে বৈ যোৱা বেকী নদীৰ গৰাখহনীয়া ৰোধৰ বাবে বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতংভাৱে জনাব।

*Sub.* : **Shelter home, infrastructural development and individual beneficiary.**

Shri ABDUR RASHID MANDAL :

30. Will the Minister of Social justice and Empowerment Department be pleased to state :

(a) Whether any shelter home for homeless transgender persons is established or not during the tenure of present Government ? If yes, please furnish the district-wise and year-wise

list of such shelter homes with amount of expenditures incurred for each unit and No. of persons sheltered in each home.

(b) District wise and year-wise list of infrastructural Development Schemes like Mini outdoor Stadiums, Dr. B R Ambedkar Bhawans and other Community facilities done with amount of fund spend in each work during the tenure of present Government.

(c) Year-wise and constituency wise number of beneficiaries who are given benefits through Income generating Schemes and Skill Development initiatives, financial incentives and scholarships during the tenure of present Government.

*বিষয় ঃ* **কৃষি যান্ত্রিকীকৰণ**

শ্রীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৩১। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কৃষি যান্ত্রিকীকৰণৰ বাবে চৰকাৰে কি কি সামগ্রী উপলব্ধ কৰি আছে?

(খ) যোৱা ৩ বছৰত নগাঁও আৰু মৰিগাঁও জিলাত ট্রেক্টৰ, পাৱাৰ টিলাৰ, থ্রেছাৰ আৰু অন্যান্য কি কি সঁজুলি প্রদান কৰা হৈছে? হিতাধিকাৰীৰ নাম-ঠিকনা সহ তালিকা দিব।

*বিষয় ঃ* **বিলাতী সুৰাৰ দোকান**

শ্রীনিজানুৰ ৰহমান ঃ

৩২। মাননীয় আৱকাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত মুঠ কিমানখন বিলাতী সুৰাৰ "On" Shop ৰ দোকান আছে জনাবনে?

(খ) উক্ত "On" Shop বিলাকত 180 ML সুৰাৰ Permit দিয়াৰ যুক্তিযুক্ততা কি?

(গ) প্রতিটো "On" Shop ত Open Sale Counter খুলি সুৰা বিক্রী কৰি থকাটো আৱকাৰী বিভাগৰ অৱগত হয়নে? জনাব।

*Sub.* : **Allocation of funds under different headings.**

Shri. SIRAJUDDIN AJMAL:

33. Will the Minister of Social justice and Empowerment Department be pleased to state :

(a) Under what different headings, the Developmental Schems are being implemented in the Department of Social Justice and Empowerment? please furnish in details the amount of funds allocated in the state under Various heads for the years 2022-23, 2023-24 and 2024-25.

(b) Provide in details the amount of funds allocated under various heads for the years 2022-23, 2023-24 and 2024-25 in 3 (three) LACs under Hojai District.

(c) Please state in details, what steps the Government has taken for women empowerment ?

*বিষয় ঃ* **ডিব্রু নৈৰ খহনীয়া প্রতিৰোধৰ সন্দৰ্ভত**

শ্রীসুৰেন ফুকন ঃ

৩৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ডিব্রু নৈৰ তীব্র সোঁতে প্রতি বছৰে ইয়াৰ পাশ্বৱৰ্তী অঞ্চলসমূহলৈ তীব্র ভাবুকি কঢ়িয়াই অনাৰ লগতে বাৰিষা নাজিৰাটিং অঞ্চলত ব্যাপক

খহনীয়াৰ সৃষ্টি কৰিছে আৰু নাজিৰাটিং তামোলী পৰ্য্যটন ক্ষেত্ৰও ক্ৰমশ ড্ৰিক্ৰ নৈৰ খহনীয়াত পতিত হৈছে। এইক্ষেত্ৰত অঞ্চলটোত বিভাগৰ জৰিয়তে কোনো নতুন আঁচনি ৰূপায়ণৰ পৰিকল্পনা লোৱা হৈছে নেকি জনাব।

*বিষয় ঃ* **অসম চুক্তি সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৩৫। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিয়ে অসম চুক্তি ৰূপায়ণ সম্পৰ্কে মুঠ কিমান পৰামৰ্শ আগবঢ়াইছিল ?

(খ) অসম চুক্তিৰ ৫ আৰু ৬ নং দফাসমূহৰ এতিয়ালৈকে কিমান সংখ্যক পৰামৰ্শ অসম চৰকাৰে ৰূপায়ণ কৰিছে? বিতং তথ্য সহকাৰে জনাব।

(গ) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২০২৪ চনৰ ছেপ্টেম্বৰ মাহৰ কেবিনেট বৈঠকত এপ্ৰিল মাহৰ ভিতৰত কিমান সংখ্যক বিপ্লৱ শৰ্মা সমিতিৰ অনুমোদন ৰূপায়ণ কৰা হ'ব বুলি ঘোষণা কৰিছিল? এই ঘোষণা অনুসৰি বৰ্তমানলৈকে ৰূপায়ণ কৰা দফাসমূহ অনুগ্ৰহ কৰি তথ্য সহকাৰে দাখিল কৰিব।

(ঘ) ২০২৫ চনলৈ অসম চুক্তিৰ অধীনত কিমানজন বিদেশী নাগৰিকক চিনাক্ত কৰা হৈছে আৰু কিমানজনক বহিষ্কাৰ কৰা হৈছে?

(ঙ) অসম চুক্তিৰ ৬(ক) দফা সংক্ৰান্তত উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠে জাৰি কৰা ৰায় অনুসৰি বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?

*বিষয় ঃ* **শিৱসাগৰৰ নদীৰ মথাউৰি, দৰিকাৰ বান নিয়ন্ত্ৰণ আৰু কলঙৰ ক'ফাৰ বান্ধৰ দুৰ্ঘটনা।**

শ্ৰীঅখিল গগৈ ঃ

৩৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিৱসাগৰ বিধান সভা সমষ্টিৰ (সমষ্টি পুনৰ গঠনৰ পাছত নতুনকৈ গঠিত) কোন কোন নদীত নতুনকৈ মথাউৰিৰ প্ৰয়োজন, কোন কোন নদীৰ মথাউৰি সৱলীকৰণৰ প্ৰয়োজন আৰু কোন কোন নদীত গৰাখহনীয়া প্ৰতিৰোধ আঁচনি গ্ৰহণ কৰাৰ প্ৰয়োজন? বিভাগে সদনক অৱগত কৰিব।

(খ) শিৱসাগৰ সমষ্টিত নতুন মথাউৰি নিৰ্মাণ, মথাউৰিৰ সৱলীকৰণ আৰু নদীৰ গৰাখহনীয়া প্ৰতিৰোধ সম্পৰ্কত কি কি আঁচনিৰ কাম চলি আছে?

(গ) দৰিকা নদীৰ ওপৰত আই আই টি গুৱাহাটীৰ অধ্যয়নৰ প্ৰতিবেদন সদনত দাখিল কৰিব। এই প্ৰতিবেদনৰ কাৰ্য্যকৰীকৰণ কেতিয়া কৰা হ'ব?

(ঘ) নগাঁৱৰ কলং নদী পুনৰ প্ৰৱাহিত কৰিবলৈ বিভাগে লোৱা আঁচনিখন বৰ্তমান কি পৰ্য্যায়ত আছে? এইটো সত্য নেকি যে কলঙৰ সন্মুখত বিভাগে নিৰ্মাণ কৰা এটা ক'ফাৰ বান্ধ নিৰ্মাণৰ কিছুদিনৰ পাছতে অপৰিকল্পিতভাৱে বিভাগে নিজে কাটি পেলালে? এতিয়া একেটা ক'ফাৰ বান্ধকে পুনৰ খৰছ কৰি পুনৰ নিৰ্মাণ কৰা হ'ল নেকি? কলং নদীৰ শ্লুইছ গেটৰ আসোঁৱাহ, হাতীমুৰা মথাউৰি নিৰ্মাণৰ কেলেংকাৰীৰ ওপৰত বিভাগীয় তদন্তৰ প্ৰতিবেদন সদনত দাখিল কৰিব।

*বিষয় ঃ* **নতুন সুৰা বিপনী**

শ্ৰীআব্দুছ ছোবাহান আলী সৰকাৰ ঃ

৩৭। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০১৬ চনৰ পৰা ২০২৪ লৈ নতুনকৈ বিলাতী সুৰাৰ বিপনীৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে নেকি? যদিহে হৈছে, সেই তালিকা দাখিল কৰিব।

(খ) কি কি চৰ্ত বা নথি পত্ৰৰ ভিত্তিত নতুনকৈ সুৰা বিপনী প্ৰদান কৰা হয়, সকলোবোৰ আৱশ্যকীয় নথি পত্ৰৰ তালিকা দাখিল কৰিব।

(গ) আৱকাৰী বিভাগে নতুনকৈ সুৰা বিপনীৰ অনুজ্ঞাপত্ৰ দিবলৈ সিদ্ধান্ত লৈছে নেকি? যদি লৈছে, এই সম্পৰ্কীয় জাননীৰ প্ৰতিলিপি দাখিল কৰিব। লগতে ধুবুৰী জিলাত নতুনকৈ কেইখন সুৰা বিপনী মুকলি কৰাৰ সিদ্ধান্ত লৈছে, সেই তথ্যও জনাব।

(ঘ) প্ৰতিখন বিলাতী সুৰাৰ দোকান, স্কুল, কলেজ, মন্দিৰ আৰু মছজিদৰ পৰা কিমান দূৰত্বত হ'ব লাগে? জনাব।

*বিষয় ঃ* **মথাউৰি মেৰামতি সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৩৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিত থকা প্ৰায় খিনি মথাউৰিৰ অৱস্থা অতি শোচনীয়, অলপ বৰষুণতেই যাতায়তৰ ব্যাঘাত জন্মে, গতিকে আগন্তুক বাৰিষাৰ পূৰ্বে মথাউৰিবোৰ মেৰামতি কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে? যদি কৰে, কেতিয়া কৰিব?

(খ) জলেশ্বৰ সমষ্টিত নতুনকৈ বনোৱা মথাউৰিবোৰ আটক ধুনীয়াকৈ ৰাখিবলৈ নানা ধৰণৰ গছ-গছনি ৰোপণ কৰিব পাৰে নে? যদি পাৰে, চৰকাৰে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে? সদনত জনাব।

*বিষয় ঃ* **আঁচনি ৰূপায়ণ**

ড° অমিয় কুমাৰ ভূঞা ঃ

৩৯। মাননীয় উদ্যান শস্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উদ্যান শস্য শিতানত ২০২৪-২৫ বাৰ্ষিক বাজেটত কিমান পৰিমাণৰ ধন আবণ্টন কৰা হৈছিল? এতিয়ালৈকে কিমান পৰিমাণৰ ধন কি কি শিতানত ৰূপায়ণ কৰা হ'ল? জিলাসহ ৰূপায়ণ কৰা আঁচনিৰ নাম সদনত জনাব।

(খ) উদ্যান শস্য বিকাশৰ যোগেদি ব্যৱসায়িক ভিত্তিত উদ্যান শস্যৰ বাগিচা পাতিবলৈ আঁচনি ৰূপায়ণ কৰাৰ ব্যৱস্থা আছে নেকি? যদি আছে, তাৰ বাবে বিভাগে কি পদক্ষেপ গ্ৰহণ কৰিছে? সদনত তেনে আঁচনিৰ নামসহ জনাব।

(গ) অসমৰ কোন কোন ঠাইত বিভাগীয়ভাৱে স্থায়ী উদ্যান শস্যৰ বাগিচা আছে লগতে তেনে বাগিচাসমূহৰ প্ৰতিপালনৰ ক্ষেত্ৰত বাৰ্ষিক ব্যয়ৰ পৰিমাণ আৰু আয়ৰ পৰিমাণ সদনত তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **অসম-নাগালেণ্ড সীমান্তৰ A, B আৰু C চেক্টৰৰ বাবে যোৱা চাৰিটা বছৰত আবণ্টিত পুঁজিৰ সন্দৰ্ভত।**

শ্ৰীবিশ্বজিৎ ফুকন ঃ

৪০। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ দ্বাৰা সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ A, B আৰু C চেক্টৰৰ বাবে যোৱা

চাৰিটা বছৰত কিমান টকা আবণ্টন দি খৰচ কৰা হৈছে? এই সময়ছোৱাত গ্ৰহণ কৰা আঁচনি সম্পৰ্কে সবিশেষ তথ্য সদনত দাখিল কৰিব।

*বিষয় ঃ* **ৰেচন কাৰ্ডৰ হিতাধিকাৰী সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৪১। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত National Food Security Act (NFSA)ৰ অধীনত কিমান ৰেচন কাৰ্ডৰ হিতাধিকাৰী আছে? ইয়াৰে গোৱালপাৰা জিলা আৰু ৩৭ নং গোৱালপাৰা পূব বিধান সভা সমষ্টিত কিমান হিতাধিকাৰী আছে জনাব।

(খ) বৰ্তমান নতুন হিতাধিকাৰী বাঁচনি কৰা হ'ব নেকি? হিতাধিকাৰী বাঁচনি কৰা নিয়ম (Guidelines) কি? তথ্য সহ জনাব।

(গ) গোৱালপাৰা পূব সমষ্টিত নতুনকৈ কিমান হিতাধিকাৰী লোৱা হৈছে। তালিকাসহ জনাব।

(ঘ) গোৱালপাৰা জিলা অসামৰিক যোগান বিভাগত কেইধৰণৰ Vigilance Committee আছে? এই Vigilance Committeeৰ ২০১৯-২০২০, ২০২০-২০২১ আৰু ২০২১-২০২২ বিত্তীয় বৰ্ষত কেইখন Vigilanceৰ মিটিং হৈছিল? তাৰ Minutes Copy আৰু প্ৰস্তাৱসমূহৰ কপি দিব।

(ঙ) অসমত বৰ্তমান PDS Wheat কিমান Allotment দিয়া হয়? জিলাভিত্তিত তথ্য সহকাৰে জনাব।

(চ) অসমত PDS Wheat সমূহ কোন কোন মিলত আটা বনোৱাৰ কাৰণে Allotment কৰা হয়? তথ্য সহকাৰে জনাব।

(ছ) গোৱালপাৰা জিলাত PDS Wheat Allotment কৰা হয় নেকি? যদি নহয়, কিয় আৰু যদি কৰা হ'ব, কেতিয়াৰ পৰা Allotment কৰা হ'ব তথ্য সহকাৰে জনাব।

*Sub.* : **About development of border area.**

Shri JOLEN DAIMARY :

42. Will the Minister of Border Protection and Development Department be pleased to state :

(a) What are the development works done in No. 58 Tamulpur LAC by the Department in the last two years, if not, when will it be undertaken ?

(b) Are there any steps taken to develop the markets belong to the Indo-Bhutan border and if not, when can it be taken ?

*বিষয় ঃ* **কলং নৈ সম্পৰ্কে**

শ্ৰীৰূপক শৰ্মা ঃ

৪৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলং নৈ বোৱাবৰ বাবে নগাঁৱৰ হাতীমুৰাত এটি বান্ধ নিৰ্মাণ প্ৰকল্প লোৱা হৈছিল। উক্ত প্ৰকল্পটো বৰ্তমান কি পৰ্য্যায়ত আছে? বিতং তথ্য দিব।

(খ) উক্ত প্ৰকল্পৰ উপৰিও কলং নৈ পুনৰ বোৱাবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি গ্ৰহণ কৰিছে, উক্ত কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব?

*বিষয় ঃ* **অসম চুক্তি ৰূপায়ণ**

শ্ৰীমতী নন্দিতা দাস ঃ

৪৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ কি কি দফা কাৰ্য্যকৰী হ'ল? কি কি দফা আজিলৈকে কাৰ্য্যকৰী নহ'ল? বিতংকৈ জনাব।

(খ) বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন ৰাজ্য চৰকাৰে কেতিয়া গ্ৰহণ কৰিছিল? কেন্দ্ৰলৈ এই প্ৰতিবেদন প্ৰেৰণ কৰা হ'লনে? যদি প্ৰেৰণ কৰা নহ'ল, তাৰ কাৰণ জনাব।

(গ) অসম চুক্তিৰ ৬ নং দফা কাৰ্য্যকৰীকৰণৰ বাবে বিপ্লৱ কুমাৰ শৰ্মা আয়োগে কিমান পৰামৰ্শ আগবঢ়াইছিল? এই পৰামৰ্শ কেতিয়া, কেনেদৰে কাৰ্য্যকৰী কৰা হ'ব বিতংকৈ জনাব।

(ঘ) অসম চুক্তিৰ ৬ নং দফা সন্দৰ্ভত বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত যিবোৰ পৰামৰ্শ আগবঢ়োৱা হৈছিল তাৰে ভিতৰত অসম চৰকাৰে নিজাববীয়াকৈ কিছুমান পৰামৰ্শ কাৰ্য্যকৰী কৰাৰ সিদ্ধান্ত লৈছিল নেকি? যদি লৈছিল সেয়া কেতিয়া কাৰ্য্যকৰী কৰা হ'ব বিতংকৈ জনাব।

*বিষয় ঃ* **ক্ষতিগ্ৰস্তৰ সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

৪৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪ বৰ্ষত অসমত হোৱা বানপানীৰ বাঢ়নী পানীত মথাউৰি ভঙাৰ ফলত কিমানখন গাঁৱৰ কিমান পৰিয়ালৰ লোক আৰু কিমান মাটি ক্ষতিগ্ৰস্ত হ'ল? বিতং তথ্যসহ তালিকা দিব।

(খ) বিভাগে বানপানীত ক্ষতিগ্ৰস্ত লোক সকলক কেনে ধৰণৰ সহায় কৰিছে? তালিকা দিব।

(গ) দুলীয়াজান বিধান সভা সমষ্টিৰ টেঙাখাটত বুঢ়ী দিহিঙৰ বাঢ়নী পানীয়ে মথাউৰি ভঙা সম্পৰ্কে চৰকাৰ জ্ঞাত নে? যদি জ্ঞাত, মথাউৰিটো মেৰামতি কৰাৰ বাবদ কিমান টকা খৰছ হ'ল? কিমান দিনৰ প্ৰয়োজন হ'ল আৰু পুঁজিৰ উৎস কি আছিল? সবিশেষ জনাব।

(ঘ) দুলীয়াজান বিধান সভা সমষ্টিত ২০২৪ বৰ্ষত হোৱা বানপানী আৰু বুঢ়ীদিহিং নদীৰ মথাউৰি ভঙাৰ ফলত কিমানখন গাঁৱৰ কিমান গৰাকীলোক ক্ষতিগ্ৰস্ত হ'ল? গাঁওসমূহৰ নাম গাঁও পঞ্চায়ত ভিত্তিত উল্লেখ কৰি কৃষক সকলৰ নাম দিব।

*বিষয়ঃ* **জিতা নদী খনন**

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

৪৬। মাননীয় জলসেচ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর বিধান সভা সমষ্টিতে জিতা নদী খনন করার জন্য সরকার কি কোন পদক্ষেপ নিয়েছে?

(খ) যদি কোন পদক্ষেপ নেওয়া হয় তবে কবে কাজ আরম্ভ করা হবে?

(গ) এই খননের অর্থ কি মঞ্জুর করা হয়েছে? যদি করা হয়ে থাকে তবে উহার বিস্তারিত বিবরন সদনে দিবেন।

*বিষয় ঃ* **ভাৰত-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ।**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

৪৭। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত-বাংলাদেশ সীমান্তৰ কিমান দৈৰ্ঘ্য অসমৰ লগত সংলগ্ন হৈ আছে? এই দৈৰ্ঘ্যৰ কিমান স্থলভাগত আৰু কিমান জলভাগত?

(খ) অসম সংলগ্ন ভাৰত-বাংলাদেশ সীমান্তত ২০১৬ চনলৈ কিমান দৈৰ্ঘ্যত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে আৰু ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমান দৈৰ্ঘ্যত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে?

(গ) জলভাগ সীমান্ত ছীল (বন্ধ) কৰাৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে?

(ঘ) বৰ্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা ভাৰত-বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কি কি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে, জনাব।

*বিষয় ঃ* **ৰেচন কাৰ্ড সম্পৰ্কে**

শ্ৰীছামছুল হুদা ঃ

৪৮। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪,২০২৪-২৫ বিত্তীয় বৰ্ষত অসমত সৰ্বমুঠ কিমান ৰেচন কাৰ্ডৰ সংযোগ নতুনকৈ দিয়া হৈছে? নতুন ৰেচন কাৰ্ড দিয়াৰ ক্ষেত্ৰত কি কি নিয়ম পালন কৰা হৈছে?

(খ) প্ৰতিখন ৰেচন কাৰ্ডৰ পৰিৱৰ্তে পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই কিমান কিলোগ্ৰামকৈ চাউল লাভ কৰে?

(গ) ২৭ নং পূব বিলাসীপাৰা সমষ্টিৰ কিমান পৰিয়ালে যোৱা দুটা বিত্তীয় বৰ্ষত নতুন ৰেচন কাৰ্ড লাভ কৰিলে আৰু কিমান পৰিয়ালক কৰ্তন কৰা হ'ল? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰে যেন।

(ঘ) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত এই বিভাগৰ পৰা কি কি আঁচনিৰ নামত কিমান কিমান টকাৰ অনুদান দিয়া হৈছিল? ২৭ নং পূব বিলাসীপাৰা সমষ্টিত ইয়াৰ কিমান টকা খৰচ কৰা হ'ল? আঁচনিৰ নামৰ পৰিৱৰ্তে খৰচ কৰা ধনৰ পৰিমাণসহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰে যেন।

*বিষয় ঃ* **অসম চুক্তি ৰূপায়ণ সম্পৰ্কে**

শ্ৰীমতী শিৱামণি বৰা ঃ

৪৯। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৫ চনত সম্পাদন হোৱা অসম চুক্তিৰ কোন কোন দফা/বিষয় আজি পৰ্য্যন্ত সম্পূৰ্ণভাৱে ৰূপায়ণ হোৱা নাই?

(খ) ৩৯ বছৰৰ পিছতো অসম চুক্তিৰ দফা/বিষয় সমূহ কি কি অসুবিধাৰ বাবে ৰূপায়ণ কৰিব পৰা হোৱা নাই? তথ্য সহকাৰে জনাব।

(গ) অসম চুক্তি সম্পূৰ্ণৰূপে ৰূপায়ণ কৰিবৰ বাবে আৰু কিমান সময়ৰ প্ৰয়োজন হ'ব?

*বিষয় ঃ* **গড়াখহনীয়া প্ৰতিৰোধ**

শ্ৰীনজৰুল হক ঃ

৫০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত শিলঘাগৰী, সন্তাৰ ঘাট, বিন্নাচৰা প্ৰথম খণ্ড, চেংটিমাৰী, কুন্তীৰ চৰ প্ৰথম খণ্ড, দ্বিতীয় খণ্ড, ধুবিৰ চৰ আৰু ভোগদহৰা গাঁও পঞ্চায়তকে ধৰি বিভিন্ন অঞ্চলত গৰাখহনীয়া হোৱা সম্পৰ্কে চৰকাৰ অৱগত নে? যদি অৱগত, এই অঞ্চল বিলাকৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) বৰ্তমান চৰকাৰে কি কি শিতানত গৰাখহনীয়া প্ৰতিৰোধ আঁচনি গ্ৰহণ কৰিছে আৰু আঁচনিৰ বিপৰীতে ধুবুৰী বিধান সভা সমষ্টিত কিমান টকা মঞ্জুৰী দিছে?

(গ) বৰ্তমান চৰকাৰে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কিবা আঁচনি হাতত লৈছে নেকি? যদি লোৱা নাই, তেন্তে কিবা আঁচনিৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে নেকি?

Assam Government press 23/25-LAQ-550-13-02-2025